# ব্যৱহাৰিক অসমীয়া

(গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক তৃতীয় ষান্মাসিকৰ দক্ষতা বিকাশ পাঠ্য ASM-SE-3014)




সম্পাদনা

ড° গীতিৰেখা ভূঞা

**ব্যৱহাৰিক অসমীয়া**

**Byawaharik Asomiya** : A textbook of Assamese (for 3rd semister of Gauhati University) Edited By Dr Gitirekha Bhuya and published by Nitul Neog on behalf of Assam Book Trust, Panbazar, Guwahati -1

First Edition : August 2020 Price : 200.00

**ISBN : 978-93-89196-25-2**

| | | |
|---|---|---|
| প্ৰকাশক | ঃ | নিতুল নেওগ,<br>অসম বুক ট্ৰাষ্ট যশোৱন্ত ৰোড,<br>পানবজাৰ, গুৱাহাটী-১ |
| গ্ৰন্থস্বত্ব | ঃ | সম্পাদক |
| প্ৰথম প্ৰকাশ | ঃ | আগষ্ট, ২০২০ |
| প্ৰচ্ছদ সজ্জা | ঃ | পংকজ পৰাণ |
| মূল্য | ঃ | ২০০.০০ টকা মাত্ৰ |
| মুদ্ৰক | ঃ | দ্ৰোণ অফছেট প্ৰিণ্টাৰ্ছ এণ্ড পাব্লিচাৰ্ছ<br>জটিয়া, কাহিলিপাৰা পথ,<br>গুৱাহাটী-৭৮১০১৯ |

৩. সংবাদ মাধ্যমৰ বিজ্ঞাপন আৰু অনুবাদ প্ৰক্ৰিয়া - ড° **জ্যোৎস্না দেৱী** ৪

৪. বিজ্ঞাপন আৰু অনুবাদ - **অৰ্ণৱ শৰ্মা** ৫

৫. বিজ্ঞাপন আৰু ইয়াৰ প্ৰয়োজনীয়তা - **ড° পল্লী হাজৰিকা** ৬

৬. বিজ্ঞাপনৰ ভাষা - **ড° স্মৃতিৰেখা ভূঞা** ৬

**তৃতীয় গোট ঃ অনুবাদ ঃ সংবাদ, প্ৰবন্ধ, সাক্ষাৎকাৰ**

১. অনুবাদ সাহিত্যৰ বিষয়ে গোটাচেৰেক চিন্তা - **ড° ৰত্নোত্তমা দাস বিক্ৰম** ৮৩

২. অনুবাদ ঃ পৰিচয়, ইতিহাস, তত্ত্ব, তাত্ত্বিক অধ্যয়নৰ ইতিহাস - **ড° গোৱিন্দ প্ৰসাদ ভূঞা** ৯৫

৩. অনুবাদ ঃ সংবাদ, প্ৰবন্ধ আৰু সাক্ষাৎকাৰ - **ড° সীমান্ত দাস** ১২

৪. প্ৰবন্ধৰ অনুবাদ - **ড° স্বাতী কিৰণ** ১২

৫. অনুবাদ আৰু সাক্ষাৎকাৰ - **প্ৰীতিৰেখা ভূঞা** ১৩

৬. অনুবাদ প্ৰক্ৰিয়া আৰু সংবাদ অনুবাদ - **ড° গীতিৰেখা ভূঞা** ১৪২

৭. অনুবাদৰ ভাষা - **ড° ৰুমী চৌধুৰী** ১৫১

৮. বিশ্বায়ন আৰু অনুবাদ - **ড° অৰ্চ্চনা দেৱী** ১৫৯

৯. অনুবাদৰ পৰিচয়, সমস্যা আৰু গুৰুত্ব - **নাৰায়ন সূত্ৰধৰ** ১৬২

**চতুৰ্থ গোট ঃ চিত্ৰনাট্য নিৰ্মাণ ঃ সাহিত্যৰ চিত্ৰায়ণ**

১. চিত্ৰনাট্য ঃ এটি চমু আলোচনা - **ড° ৰুণজুন শইকীয়া** ১৭৩

২. সাহিত্যৰ আধাৰত নিৰ্মিত অসমীয়া চিত্ৰনাট্যৰ ইতিহাসৰ এটি আলোচনা- **প্ৰিয়ঙ্কা কাশ্যপ** ১৭৮

৩. চলচ্চিত্ৰৰ বাবে চিত্ৰনাট্য নিৰ্মাণৰ প্ৰয়োজনীয়তা - **মৌচুমী মালাকৰ** ১৯৬

# সংবাদ মাধ্যমৰ বিজ্ঞাপন আৰু অনুবাদ প্ৰক্ৰিয়া

ড° জ্যোৎস্না দেৱী

জনসংযোগৰ বিভিন্ন মাধ্যমসমূহৰ ভিতৰত ছপা মাধ্যম হ'ল এনে এক যোগাযোগৰ মাধ্যম, যিয়ে অতি কম সময়তে জনজীৱনক আকৰ্ষিত কৰে। এই মাধ্যমৰ দ্বাৰা প্ৰসাৰিত তথ্য, বাৰ্তা আদিয়ে সমাজৰ প্ৰতিটো ক্ষেত্ৰৰ লোকসকলক সহজতে প্ৰভাৱিত কৰা দেখা যায়। ছপা মাধ্যম বুলি কওঁতে আমি বাতৰি কাকত, আলোচনী, বেনাৰ, প'ষ্টাৰ আদিৰ কথা ক'ব পাৰোঁ। যিদৰে এই মাধ্যমত প্ৰকাশিত বাৰ্তা বা তথ্যসমূহে জনজীৱনক প্ৰভাৱিত কৰে ঠিক একেদৰে এই মাধ্যমত প্ৰকাশিত বিজ্ঞাপনে সমাজজীৱনকো প্ৰভাৱিত কৰে। এই মাধ্যমসমূহৰ সহয়ত বিজ্ঞাপন নিৰ্মাতা তথা সংস্থাসমূহে যিকোনো পণ্য বা সোৱাৰ বিষয়ে কৌশলপূৰ্ণভাৱে প্ৰচাৰ কৰে।

বৰ্তমান গোলকীকৰণৰ যুগৰ পৃথিৱীখনত বিভিন্ন অঞ্চলৰ লোকসকলৰ মাজত সংযোগ স্থাপন সহজ হোৱাৰ লগে লগে ভাষা-সাহিত্যৰ ক্ষেত্ৰখনত পাৰস্পৰিক আদান-প্ৰদান তথা নিৰ্ভৰশীলতা লক্ষ্য কৰা যায়। সৃষ্টিশীল সাহিত্যৰ লগতে কোনো এখন ঠাই বা কোনো এটা জাতিৰ বৌদ্ধিক, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক, শৈক্ষিক, প্ৰযুক্তিবিদ্যা, বৈজ্ঞানিক চিন্তাচৰ্চা আদি সকলো দিশৰ আদান-প্ৰদানে আধুনিক বিশ্বৰ প্ৰতিটো কৰ্ম সুচল কৰি তুলিছে আৰু দেখা গৈছে ইটোৱে-সিটোৰ লগত ওতপ্ৰোতভাৱে সাঙোৰ খাই আছে। এই সকলো কাৰ্যৰ অন্তৰালত অনুবাদ প্ৰক্ৰিয়াই বিশেষ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। অনুবাদৰ দ্বাৰাই বিভিন্ন ভাষাৰ মাজত সংযোগ স্থাপনৰ লগতে জ্ঞান-বিজ্ঞানৰ বৈচিত্ৰ্যময় ক্ষেত্ৰখনৰ পৰিসৰ বৃদ্ধি বা দ্ৰুত পৰিৱৰ্তন সম্ভৱ হৈ উঠিছে। বৰ্তমান সময়ত দেখা গৈছে অনুবাদ প্ৰক্ৰিয়াটোৱে যিদৰে সাহিত্যৰ লগত জড়িত হৈ